অধ্যায় ২ ঃ সংযোগৰ আর্হি আৰু মতবাদসমূহ

অধ্যায় গাঁথনি

2.1 উদ্দেশ্য

2.2 পৰিচয়

2.3 আর্হিৰ ধাৰণা আৰু কাম-কাজ

2.4 সংযোগৰ কেইটামান উল্লেখযোগ্য আর্হি

2.4.1 এচ. এম. আৰ. আর্হি

2.4.2 এচ. এম. চি. আৰ. আর্হি

2.4.3 শ্বেনন আৰু উইভাৰৰ আর্হি

2.4.4 ওৱেষ্টলি আৰু মেকলীনৰ আর্হি

2.5 নিয়ামৰ মতবাদসমূহ

2.6 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

2.7 অধিক জানিবলৈ

2.8 অগ্রগতিৰ খতিয়ান

2.9 সম্ভাব্য প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- সংযোগ প্রক্রিয়াটো কেনেকৈ সংঘটিত হয় সেইটো ব্যাখ্যা কৰিব পাৰিব।
- এই ধাৰণাটোৰ সম্পর্কে নিজৰ উপলব্ধি অনুসৰি ভিন্ ভিন্ সংযোগ বিশেষজ্ঞই ভিন্ ভিন্ শৈলীৰে কিদৰে সংযোগ পদ্ধতিটোৰ ব্যাখ্যা কৰিছে, সেইটো বর্ণনা কৰিব পাৰিব।
- সংযোগৰ চলিত আর্হিসমূহৰ তুলনামূলক বিশ্লেষণ কৰিব পাৰিব।
- সংবাদ মাধ্যম ব্যৱস্থা আৰু এই সম্পর্কীয় মতবাদে সমাজ তথা ব্যক্তিৰ জীৱনত কেনে প্রভাৱ বিস্তাৰ কৰে তাৰ বর্ণনা কৰিব পাৰিব।
- এই মতবাদ আৰু পদ্ধতিসমূহৰ তাৎপর্য বর্ণনা কৰিব পাৰিব।
- বিভিন্ন দেশৰ প্রচলিত সামাজিক-ৰাজনৈতিক ব্যৱস্থাই সেইবোৰ সমাজৰ সংবাদ মাধ্যম ব্যৱস্থাৰ বৈশিষ্ট্যসমূহ কিদৰে নিৰূপণ কৰে, সেইটো আলোচনা কৰিব পাৰিব।

২.২ পৰিচয়

আগৰ অধ্যায়টোত আমি সাধাৰণভাৱে সংযোগ আৰু বিশেষভাৱে গণ সংযোগৰ ধাৰণাটোৰ সৈতে আপোনাক পৰিচয় কৰি দিছো। এতিয়া কথা হ'ল, সংযোগৰ প্ৰক্ৰিয়াটো তেনেই সৰল যেন লাগিলেও, সময়ত ই এটা দুৰূহ আৰু জটিল প্ৰক্ৰিয়া হৈ পৰে। এই সমগ্ৰ প্ৰক্ৰিয়াটোৰ বিষয়ে সহজভাৱে বুজাৰ বাবে সংযোগ বিশেষজ্ঞসকলে বিভিন্ন আৰ্হিৰ উদ্ভাৱন কৰিছে। এই আৰ্হিসমূহ প্ৰধানতঃ কোনো এটা কাৰ্য নাইবা প্ৰক্ৰিয়াক সহজভাৱে বুজাৰ বাবে কৰা সচিত্ৰ উপস্থাপন। বিভিন্ন আৰ্হিত সংযোগৰ পদ্ধতিটোক বিভিন্ন দৃষ্টিকোণৰ পৰা চোৱা হৈছে আৰু বিভিন্ন দিশৰ পৰা ইয়াক ব্যাখ্যা কৰাৰ চেষ্টা কৰা হৈছে। তাৰ অর্থ হ'ল, প্ৰতিটো আৰ্হিয়ে সংযোগ প্ৰক্ৰিয়াটোৰ বিভিন্ন দৃষ্টিকোণত গুৰুত্ব আৰোপ কৰিছে।

আমি আগতেই কৈছো যে সংযোগে এতিয়া মানুহৰ মৌলিক প্ৰয়োজনসমূহৰ মাজত প্ৰায় চতুর্থ স্থান লাভ কৰিছে। সেইবাবে আমি আমাৰ নিজৰ সংযোগ দক্ষতা উন্নত কৰিবলৈ হ'লে এই বিষয়টোক ইয়াৰ সকলো দিশৰ পৰা বুজিবলৈ চেষ্টা কৰাটো আৱশ্যকীয়। এনে কৰিলেহে, বৃত্তিমূলক বিষয় হিচাপে সংযোগৰ সামগ্ৰিক অধ্যয়নৰ ক্ষেত্ৰত আমি আমাৰ অৰিহণা যোগাব পাৰিম।

সংযোগৰ ভালেমান আৰ্হি বা নমুনা পোৱা যায় আৰু এটা অধ্যয়নত এই আটাইবোৰৰ বিষয়ে আলোচনা কৰাটো সম্ভৱ নহয়। সেইবাবে আপুনি বুজি পোৱাৰ বাবে আমি ইয়াত সংযোগৰ কেইটামান মৌলিক আৰ্হিৰ বিষয়েহে আলোচনা কৰিম। আমি আশা কৰিছো যে এই অধ্যায়টো সম্পূৰ্ণভাৱে অধ্যয়ন কৰাৰ পাছত আপুনি সংযোগ প্ৰক্ৰিয়াটো কেনেকৈ সংঘটিত হয় আৰু ভিন্ ভিন্ সংযোগ বিশেষজ্ঞই ভিন্ ভিন্ আৰ্হিৰ যোগে এই প্ৰক্ৰিয়াটো কিদৰে ব্যাখ্যা কৰিছে সেই বিষয়ে অধিক জ্ঞাত হ'ব পাৰিব। সেইবাবে আৰ্হিনো কি আৰু ইয়াৰ উদ্দেশ্য আৰু কাম-কাজৰ বিষয়ে আভাস দিয়াৰ প্ৰয়াসেৰে আমি এই অধ্যায়টো আৰম্ভ কৰিম।

২.৩ আৰ্হিৰ ধাৰণা আৰু কাম-কাজ

আৰ্হি হ'ল কোনো এটা বিষয় বা কাৰ্যৰ বিষয়ে আমি বুজাত সহায় কৰাৰ কাৰণে প্ৰস্তুত কৰা সচিত্ৰ বিৱৰণী। আমি জানো যে কোনো এটা বিষয় বুজি পোৱাৰ বাবে তথ্য বা তত্ত্বমূলক ব্যাখ্যাতকৈ ইয়াৰ সচিত্ৰ উপস্থাপন সদায় অধিক বোধগম্য হয়।

কোনো এটা বিষয়ৰ সম্পৰ্কে জনাৰ বাবে আৰ্হি হ'ল এটা গুৰুত্বপূৰ্ণ আহিলা। এই ক্ষেত্ৰত কৰা অধ্যয়ন আৰু পৰীক্ষা-নিৰীক্ষা কোনো একোটা সময়ত উন্নত সংযোগ প্ৰক্ৰিয়াৰ উদ্ভাৱনৰ দিশত অধিক বিশ্লেষণাত্মক প্ৰচেষ্টাৰ ক্ষেত্ৰত যথেষ্ট সহায়ক হয় আৰু ভৱিষ্যতেও ই আমাক প্ৰচুৰ সহায় কৰে।

সংযোগৰ প্ৰচলিত পৰিভাষাত প্ৰায়েই কোৱা হয় যে এখন ছবিৰ মূল্য হাজাৰটা শব্দৰ সমতুল্য। ইয়াৰ অৰ্থ এয়ে যে একোখন চিত্ৰই কোনো এটা ঘটনাক এনে সুন্দৰকৈ আমাৰ আগত দাঙি ধৰে যে সেই ঘটনাটোৰ বৰ্ণনা কৰাৰ বাবে শব্দ বা ভাষাৰ প্ৰয়োজন বহুত কম হয়। সেইবাবে লিখিত ভাষাৰ বিৱৰণীতকৈ আৰ্হিয়ে কোনো এটা বিষয় সম্পৰ্কত অধিক স্পষ্টভাৱে বুজাত সহায় কৰে।

ই হ'ল এনে এটা পদ্ধতি যিটোৱে বাস্তৱ জীৱনত সংযোগে কেনেদৰে কাম কৰে সেইটো উপলব্ধি কৰাত আমাক সহায় কৰে। ইয়াক কোনো এটা যান্ত্ৰিক বা বৈদ্যুতিক চক্ৰ অৰ্থৎ "চাৰকিট" আৰু ইয়াৰ কাৰ্য প্ৰণালীৰ এখন জটিল অথবা সৰল চিত্ৰৰ সৈতে তুলনা কৰিব পাৰি। আৰ্হিয়ে কোনো এটা বিশেষ মাধ্যমৰ জৰিয়তে বাৰ্তাসমূহ এটা উৎসৰ পৰা আন এটা উৎসলৈ কেনেকৈ যায় আৰু পুনৰ কেনেকৈ ঘূৰি আহে আৰু সময়ত গৈ এই মাধ্যমে আমাৰ অভিজ্ঞতাক কিদৰে পুষ্ট কৰে তাকে দেখুৱায়।

আৰ্হিয়ে আমাক কোনো এটা পৰিস্থিতিত সংযোগ প্ৰক্ৰিয়াটোৰ এখন কাল্পনিক চিত্ৰ দাঙি ধৰাত সহায় কৰে। সচিত্ৰ পদ্ধতিৰে সংযোগ প্ৰক্ৰিয়াৰ বিষয়ে আমি জ্ঞাত হ'ব পাৰিলে, ইয়াৰ বিষয়ে বুজাত আৰু আমাৰ সংযোগ প্ৰয়াসক উন্নত কৰাতো আৰ্হিয়ে সহায় কৰে। আন কথাত, পৰৱৰ্তী সময়ত সংযোগ প্ৰক্ৰিয়া আগবাঢ়ি গৈ থাকোতে ইয়াক অধিক উন্নত আৰু ফলপ্ৰসূ কৰি তোলাত আৰ্হিৰ গুৰুত্ব আছে।



অগ্ৰগতি নিৰীক্ষণ ক

1। আৰ্হি মানে কি?

.....

2। আৰ্হিৰ তাৎপৰ্য কি?

.....

3। শুদ্ধ নে অশুদ্ধ নিৰ্দ্ধাৰণ কৰক ঃ

(ক) সংযোগ মানুহৰ এক মৌলিক প্ৰয়োজন নহয়।

.....

(খ) আৰ্হি হৈছে কোনো এটা বিষয় বুজিবলৈ ব্যৱহৃত এক গুৰুত্বপূৰ্ণ আহিলা।

.....

(গ) কোনো এটা ধাৰণাক স্পষ্টকৈ বুজিবলৈ এটা ভাল আৰ্হিয়ে যথেষ্ট সহায় কৰে।


.....

২.৪ সংযোগৰ কেইটামান উল্লেখযোগ্য আৰ্হি

এতিয়া আমি সংযোগৰ কেইটামান গুৰুত্বপূৰ্ণ আৰ্হিৰ বিষয়ে ক্ৰমানুসৰি আলোচনা কৰিম।


২.৪.১ এচ. এম. আৰ. আৰ্হি

এইটো হ'ল সবাতোকৈ পুৰণি আটাইতকৈ মৌলিক আৰ্হি। এই আৰ্হিত দুজন ব্যক্তি জড়িত থাকে - এজন হ'ল উৎস (যিজন প্ৰথমে বাৰ্তা প্ৰেৰণ কৰে) অৰ্থাৎ যিজনৰ পৰা বাৰ্তাসমূহ প্ৰথমতে আৰম্ভ হয় আৰু আনজন হ'ল গ্ৰাহক অৰ্থাৎ যিজনলৈ বাৰ্তা প্ৰেৰণ কৰা হয়। গতিকে, উৎস(Source) + বাৰ্তা(Message) + গ্ৰাহক (Receiver) অৰ্থাৎ ইংৰাজী শব্দ তিনিটাৰ প্ৰথম আখৰকেইটাক লৈ এচ. এম. আৰ. (SMR) আৰ্হি হিচাপে ইয়াক জনা যায় আৰু এই আৰ্হিটো হ'ল সংযোগ ব্যৱস্থাৰ মৌলিক আৰ্হি।



২.৪.২ এচ. এম. চি. আৰ. আৰ্হি

এইটো হ'ল আন এটা মৌলিক আৰু সৰল আৰ্হি আৰু সংযোগ প্ৰক্ৰিয়াটোক ই তলত দিয়া ধৰণে ব্যাখ্যা কৰে।



এই আৰ্হিটোক এচ. এম. আৰ. আৰ্হিৰ বিস্তাৰিত ৰূপ বুলি ক'ব পাৰি। এই আৰ্হিত যিজন লোকে প্ৰথমে বাৰ্তা নাইবা তথ্য প্ৰেৰণ কৰে বা সঞ্চাৰণ কৰে তেওঁ হ'ল বাৰ্তাৰ "প্ৰেৰক" আৰু যিজন লোকৰ উদ্দেশ্যে বাৰ্তা কৰে তেওঁ হ'ল "গ্ৰাহক"। এই আৰ্হিত কোৱা মতে বাৰ্তাসমূহ কোনো এটা মাধ্যমৰ যোগে প্ৰেৰণ কৰা হয় আৰু সেইটোৱে হ'ল "চেনেল" (Channel)। সেইবাবে এই আৰ্হিৰ প্ৰক্ৰিয়াত চাৰিটা উপাদান জড়িত হৈ থাকে। সেই কেইটা হ'ল প্ৰেৰক, বাৰ্তা, মাধ্যম বা চেনেল আৰু গ্ৰাহক - ইংৰাজীত ক্ৰমে Sender, Message, Channel,


Receiver. এই শব্দ চাৰিটাৰ প্ৰথম আখৰকেইটাক লৈ এই আৰ্হিক SMRC (এচ. এম. আৰ. চি.) আৰ্হি বুলি কোৱা হয়।

প্ৰেৰকে গ্ৰাহকলৈ বাৰ্তা প্ৰেৰণ কৰাৰ পাছত, বাৰ্তাটোৰ ওপৰত নিৰ্ভৰ কৰি গ্ৰাহকে তাৰ এটা উত্তৰ ঠিক কৰে নাইবা কোনো এটা প্ৰতিক্ৰিয়া প্ৰকাশ কৰে আৰু প্ৰথম বাৰ্তাটোৰ প্ৰেৰকজনলৈ এই উত্তৰ বা প্ৰতিক্ৰিয়া ওভতাই পঠাই দিয়ে। দুয়োটা পক্ষই বিচৰা পৰ্যন্ত নাইবা কোনো এটা পক্ষই কিছু সময় পিছতে ইয়াৰ অন্ত নেপেলোৱা পৰ্যন্ত এই আদান-প্ৰদান প্ৰক্ৰিয়াটো চলি থাকে।

২.৪.৩ শ্বেনন আৰু উইভাৰৰ আৰ্হি

গণ সংযোগ বিশেষজ্ঞ ক্লড শ্বেনন আৰু ওৱাৰেন উইভাৰে 1949 চনত এই আৰ্হিটোৰ গঢ় দিয়ে। আনবোৰ আৰ্হিৰ তুলনাত ই অদ্বিতীয় বিধৰ, কাৰণ টেলিসংযোগ ব্যৱস্থাৰ ভিত্তিত বিকাশ সাধন কৰা এইটোৱেই হ'ল মানৰ সংযোগ প্ৰক্ৰিয়াৰ প্ৰথমটো অভিযান্ত্ৰিক আৰ্হি।

শ্বেনন-উইভাৰৰ গাণিতিক আৰ্হি, ১৯৪৯



আৰ্হিটোত কোৱা মতে এই প্ৰক্ৰিয়াটোৱে "তথ্যৰ উৎস" (প্ৰথমজন সংযোগকাৰী বা প্ৰেৰক)ৰ পৰা এটা নিৰ্দিষ্ট প্ৰণালীৰে (এই ক্ষেত্ৰত সাধাৰণতে প্ৰেৰকৰ কণ্ঠস্বৰ) সঞ্চাৰণৰ যোগে কোনো এটা লক্ষ্যস্থলৰ দিশে গতি কৰে। লগতে আৰ্হিটোত ইয়াকো কোৱা হৈছে যে এই বাৰ্তাসমূহ গ্ৰাহকৰ উদ্দেশ্যে প্ৰেৰণ কৰা মৌলিক সংকেতৰ বাহিৰে অন্য একো নহয়। আনহাতে, সংযোগ প্ৰক্ৰিয়াটো চলাই যোৱাৰ বাবে গ্ৰাহকজনো অনুৰূপ প্ৰক্ৰিয়াৰ মাজেৰে আগবাঢ়ি যাবলগীয়া হয় আৰু সংযোগ প্ৰক্ৰিয়াটো চলি থাকোতেই ইয়াৰ মাজত কেতিয়াবা বাহ্যিক কোলাহল বা শব্দাদি সোমাই পৰি এই কাৰ্যত বিজুতি ঘটায়। ইয়াত লক্ষ্যস্থান বোলোতে বাৰ্তাৰ গ্ৰাহক নাইবা সেইবোৰৰ লক্ষিত শ্ৰোতা-দৰ্শকক বুজায়।

এই আৰ্হিৰ এটা অতি প্ৰয়োজনীয় উপাদান হ'ল বাৰ্তাসমূহক সংকেতলৈ ৰূপান্তৰিত কৰাৰ বাবে এটা ট্ৰেন্সমিটাৰ যন্ত্ৰৰ। এই ট্ৰেন্সমিটাৰ যন্ত্ৰৰ সহায়ত টেলিফোন যন্ত্ৰৰ দৰে গ্ৰাহকলৈ সংকেত প্ৰেৰণ কৰিব পাৰি। এই আৰ্হিত দাবী কৰা মতে মানুহৰ মাজতো এক ধৰণেৰেই সংযোগ

স্থাপিত হয়। আনজন অংশগ্রহণকাৰীৰ ফালৰ পৰাও একেটা প্রক্রিয়াৰেই পুনৰাবৃত্তি হয়।

এই আৰ্হিটোৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল এয়ে যে প্রথম বাৰৰ বাবে সংযোগ প্রক্রিয়াত Noise অর্থাৎ বাহ্যিক কোলাহল নাইবা শব্দ আদিৰ দিশটো সন্নিবিষ্ট কৰা হয়। Noise শব্দটোৱে ইয়াত আচলতে সাহিত্যিক অর্থত ব্যৱহৃত কোলাহল বা শব্দক নুবুজায়। ই কোনো প্রকাৰৰ হস্তক্ষেপ, বাধা আৰু বিজুতিকহে বুজায় আৰু এইবোৰে সংযোগ প্রক্রিয়াটো নিয়াৰিকৈ চলাত সমস্যা নাইবা অন্তৰায়ৰ সৃষ্টি কৰে আৰু এই অন্তৰায়ৰ ফলস্বৰূপে বার্তা নাইবা তথ্যৰ বিষয়সমূহ যথাযথভাৱে বুজি পোৱাটো কষ্টসাধ্য হৈ পৰে।

এনে অন্তৰায় দুই প্রকাৰৰ হ'ব পাৰে। প্রথমটো হ'ল যান্ত্রিক অথবা মাধ্যমত হোৱা শব্দ বা কোলাহল, অর্থাৎ সংযোগ প্রক্রিয়াত ব্যৱহাৰ কৰা যান্ত্রিক পদ্ধতিত হোৱা আসোঁৱাহে সৃষ্টি কৰা বিজুতি, বতাহ নাইবা বিমান আদিৰ শব্দ। সেইবোৰে বার্তা নাইবা তথ্যৰ স্বাভাৱিক আৰু সঠিক চলাচলত বাধাৰ সৃষ্টি কৰে।

দ্বিতীয়বিধ অন্তৰায় হ'ল, মানৱ-সৃষ্ট Noise বা অসুবিধা। সংযোগ প্রক্রিয়াত অংশগ্রহণকাৰীৰ বৌদ্ধিক আধাৰ নাইবা অৱস্থাৰ ক্ষেত্রত সমতাৰ অভাৱত এনে বাধাৰ সৃষ্টি হয়। আৰ্হিটোৰ এই দিশটোৱে পূর্বে উদ্ভাৱন কৰা আন আন আৰ্হিবোৰৰ পৰা ইয়াক পৃথক ৰূপত দাঙি ধৰিছে।

২.৪.৪ - ওৱেষ্টলি আৰু মেকলীনৰ আৰ্হি


বহুলভাৱে গেটকিপিং বা দ্বাৰৰক্ষক আৰ্হি হিচাপে জনাজাত এই আৰ্হিটো 1957 চনত ৰচনা কৰা হয় আৰু গণ মাধ্যমৰ ক্ষেত্রত মূলতঃ ই প্রযোজ্য হয়। এই আৰ্হিটোৰ অভিনৱত্ব আৰু অতুলনীয়তা হ'ল এয়ে যে, সংযোগৰ আৰ্হিত পোন প্রথমবাৰৰ বাবে সংযোগ আৰু মাধ্যমৰ বিষয়বস্তুৰ সম্পাদনা আৰু সঙ্গতকৰণৰ দিশটোত গুৰুত্ব প্রদান কৰা হয়। ক্ষেত্রভিত্তিত, আমাৰ দৈনন্দিন জীৱনতো আমি আমাৰ সংযোগৰ অংশীদাৰ নাইবা বার্তাৰ গ্রাহকসকলৰ সৈতে আলোচনা কৰাৰ সময়ত বিভিন্ন ঘটনা, সমস্যা চালি জাৰি চোৱাৰ প্রক্রিয়া অৱলম্বন নকৰো জানো?

সেই একেদৰে গণ সংযোগৰ ক্ষেত্রতো সংযোগ প্রক্রিয়াটো ফলপ্রসূ আৰু অর্থবহু কৰি তোলাৰ কাৰণে ঘটনা, বার্তা, বিভিন্ন বিষয়বস্তু, কার্যসূচী আদিৰ নির্বাচনত যথেষ্ট গুৰুত্ব দিয়া হয়। এই কার্য সম্পাদনাত আমি ভালেমান দিশ, বিষয় আৰু ঘটনাক বাদ দিও, কাৰণ কোনবোৰ দিশ জনসাধাৰণ আৰু আমাৰ লক্ষিত শ্রোতা-দর্শকৰ মনোগ্রাহী হ'ব সেইটো আমি আমাৰ অভিজ্ঞতাৰ পৰা জানিব পাৰো। বার্তাসমূহৰ নির্বাচন আৰু সম্পাদনাৰ এই কামটো আমাৰ ব্যক্তিত্ব, পাঠক, শ্রোতা-দর্শকৰ মনোগ্রাহিতা, সংবাদপত্রৰ প্রকাশ আৰু অনাতাঁৰ কেন্দ্রৰ স্থান আদিৰ ওপৰত সম্পূর্ণভাৱে নির্ভৰশীল।

গণ-মাধ্যমে বিভিন্ন পর্যায়ত দৈনন্দিন কার্য সম্পাদন কৰোতে ভালেমান এনে পদক্ষেপ গ্রহণ কৰিবলগীয়া হয়। ক্ষেত্র পর্যায়ত, বাতৰিৰ নির্বাচন কৰোতে ৰিপোর্টাৰসকলো প্রথম স্তৰৰ

দ্বাৰৰক্ষক হিচাপে কাম কৰে। তেওঁলোকে পোৱা ভালেমান বাতৰিৰ ভিতৰৰ পৰা সেইবোৰ বাচি লয় আৰু তাৰ পাছত ভাষা, বিশ্বাসযোগ্যতা, অনাৱশ্যকীয় তথ্যক বাদ দি আৰু গুৰুত্বপূর্ণ তথ্যকহে ৰাখি চালি জাৰি চাই তাত থকা ভুল-ত্রুতি আঁতৰাই সেইবোৰৰ শুধৰণি কৰা হয়। সেইবাবে, বাতৰি নাইবা এখন নাটক বা টেলিভিশ্যন ধাৰাবাহিক বা অন্য যিকোনো কার্যসূচীকেই শ্রোতা-দর্শক বা জনসাধাৰণৰ উদ্দেশ্যে প্রচাৰ বা প্রকাশৰ আগতে সেইবোৰত যাতে কোনো প্রকাৰৰ ভুল-ভ্রান্তি নাইবা বিসঙ্গতি নাথাকে তাৰ বাবে ভালেমান স্তৰত সেইবোৰৰ পৰীক্ষা কৰা হয়।

"গেটকিপিং" বা দ্বাৰৰক্ষণ আর্হি হিচাপে সাধাৰণতে জনাজাত এই আর্হিটো কোনো প্রেক্ষাগৃহ নাইবা চিনেমা হলৰ দ্বাৰৰক্ষকৰ দৰে। এই আর্হিমতে প্রকাশ বা প্রচাৰৰ প্রত্যেকটো বিষয়কে উপযুক্তভাৱে আৰু তন্ন তন্নকৈ পৰীক্ষা কৰাৰ পাছতহে তাক প্রচাৰ বা প্রকাশ কৰিবলৈ দিয়া হয়।



X= তথ্যৰ উৎস

A= প্রেৰক

C= গেটকীপাৰ বা দ্বাৰৰক্ষক

B= শ্রোতা-দর্শকমণ্ডলী বা অডিয়েন্স

F= সঁহাৰি বা ফীড্‌বেক

সংবাদ মাধ্যমত প্রতিদিনে প্রকাশিত শ শ বা-বাতৰি পঢ়াত আপুনি নিশ্চয় অভ্যস্ত বা সেই বিষয়ে জানে। কিন্তু এইটো ভাবিবলৈও টান লাগে যে প্রকাশ হোৱা ইমানবোৰ বাতৰিৰ উপৰিও তেনে আন আৰু শ শ বাতৰি নির্বাচন প্রক্রিয়াত অগ্রাহ্য কৰা হৈছে আৰু মাত্র সেইকেইটা বা-বাতৰিকহে শেষান্তৰত বাতৰি কাকতখনৰ পৃষ্ঠাত স্থান দিয়া হৈছে।

সংবাদ মাধ্যমৰ কর্তৃপক্ষৰ মনোযোগ আকর্ষণ কৰিব বিচৰা শ শ বাতৰিৰ মাজৰ পৰা প্রতিদিনে টেলিভিশ্যন বা ৰেডিঅ'ৰ বাতৰি বুলেটিনৰ বাবে 10ৱ12 টা আৰু বাতৰি কাকতৰ বাবে 100 নাইবা তেনে সংখ্যক বাতৰি নির্বাচন আৰু গুৰুত্ব অনুযায়ী সেইবোৰৰ উপস্থাপন কৰোতে মাধ্যম

প্ৰতিষ্ঠানত কাম কৰা লোকসকলে সন্মুখীন হোৱা ব্যস্ততা আৰু উত্তেজনা সহজে অনুমান কৰিব পৰা যায়। সেইবাবেই কোৱা হয় যে গণ-মাধ্যমত কাম কৰা লোকসকলে সময়ৰ বিৰুদ্ধে যুঁজ কৰিবলগীয়া হয়।

কেৱল বা-বাতৰিৰ ক্ষেত্ৰতেই নহয়, টেলি-নাটক, বা ধাৰাবাহিক, শিক্ষা-বিনোদন কাৰ্যসূচী আদিৰ ক্ষেত্ৰতো টেলিভিশ্যন আৰু ৰেডিঅ' প্ৰচাৰিত নাইবা বাতৰি কাকত, আলোচনী আদিত ছপা কৰা কাৰ্যসূচী বা বা-বাতৰিৰ বিপৰীতে এনে কাৰ্যসূচীসমূহৰ নিৰ্বাচনৰ সময়ত আন কেবাশ তেনে কাৰ্যসূচীক কৰ্তৃপক্ষই অগ্ৰাহ্য কৰে। এই প্ৰক্ৰিয়াটো গেট্ কিপিং বা দ্বাৰ ৰক্ষণৰ কামৰ অনুশীলনৰ বাহিৰে আন একো নহয়।

সেইবাবে আপুনি আশ্বস্ত হৈ থাকিব পাৰে যে যিবোৰ বাতৰি, শিক্ষা-বিনোদক কাৰ্যসূচী গণ মাধ্যমত আচলতে প্ৰকাশ বা প্ৰচাৰ কৰা হয়, সেইবোৰ শ্ৰোতা-দৰ্শক-পাঠকৰ বাবে উলিয়াই দিয়াৰ পূৰ্বে মাধ্যম প্ৰতিষ্ঠানসমূহৰ বিভিন্ন পৰ্যায়ত কঠোৰ আৰু গভীৰ পৰীক্ষাৰ মাজেৰে পাৰ হ'বলগীয়া হয়।

এইখিনিতে আমি এই সম্পৰ্কত এটা গুৰুত্বপূৰ্ণ কথা স্মৰণ কৰিব লাগিব। সেইটো হ'ল যে এই "গেটকিপিং" অনুশীলনটো গণ মাধ্যমৰ দৰেই আমাৰ ব্যক্তিগত ক্ষেত্ৰতো অনবৰত চলি থাকে। ইয়াৰ অৰ্থ হ'ল এয়ে যে আমি যিকোনো সময়তে বা যিকোনো ঠাইতে আমাৰ নিকট আত্মীয়ই হওক, বন্ধুৰেই হওক, একেবাৰে অচিনাকি লোকেই হওক বা কোনো জ্যেষ্ঠ ব্যক্তিয়েই হওক, যিকোনো লোকক কিবা এটা ক'ব বিচাৰিলে বা তেওঁৰ সৈতে সংযোগ কৰিব খুজিলে, আমি যি মন যায় তাকেই কৈ নেপেলাও, আমি কি ক'ম, কেনেকৈ ক'ম, আৰু বহল মাত্ৰাত আমাৰ প্ৰথম সংযোগৰ উত্তৰত আনজন ব্যক্তিয়ে কি ক'ব পাৰে বুলি ভাবো, সেইটোৰ ওপৰত ভিত্তি কৰি আমি আমাৰ ভৱিষ্যৎ কাৰ্য ব্যৱস্থাৰ বিষয়ে সিদ্ধান্ত গ্ৰহণৰ প্ৰক্ৰিয়াৰ মাজেৰে যাবলগীয়া হয়। সেইবাবে এইটো স্পষ্টভাৱে ওলাই পৰে যে আনৰ সৈতে সংযোগ প্ৰক্ৰিয়াটো চলাওতে আমাৰ ব্যক্তিগত জীৱনতো আমি অনবৰতে "গেটকিপিং" অনুশীলন কৰি থাকো।

ইয়াৰ উপৰি আমি বিভিন্ন উৎসৰ পৰা প্ৰতিদিনে লাভ কৰা তথ্যৰ মাজৰ পৰা আমাৰ বাবে যিবোৰ তথ্য অপ্ৰয়োজনীয় সেইবোৰ চালি-জাৰি লওঁ। ইও এটা "গেট কিপিং" অনুশীলনহে।



অগ্ৰগতি নিৰীক্ষণ - খ

১। এচ. এম.আৰ চি. আৰু ওৱেষ্টলি আৰু মেকলিনৰ আৰ্হিৰ বিষয়ে চমুকৈ বৰ্ণনা কৰক।

.....

.....

.....

.....

2¼ সংযোগ প্রক্রিয়াটো কেনেকৈ সংঘটিত হয় ? ব্যাখ্যা কৰক।

.....

.....

.....

.....

3¼ ওৱেষ্ট্লি আৰু মেকলীনৰ আর্হিক আন কি হিচাপে ভালদৰে জনা যায় ?

.....

.....

.....

.....

4¼ টেলি-সংযোগ ভিত্তিক আর্হিটো কি ?

.....

.....

.....

.....

5¼ সাংবাদিকতাৰ ক্ষেত্রত কোনটো আর্হি (Model) সর্বোত্তমভাৱে প্রযোজ্য ?

.....

.....

.....

.....

6¼ সংযোগৰ সবাতোকৈ মৌলিক আৰু সৰল আর্হিটো কি ?

.....

.....

.....

.....

7¼ এচ. এম.চি. আৰ. আর্হিত কি নতুন উপাদান সংযোজিত কৰা হৈছিল ?

.....

.....

.....



অনুশীলনী ক

শ্রেণীতেই হওক বা অন্য ঠাইতেই হওক আপোনাৰ দুজন বা তিনিজন বন্ধুৰ এটা দল গঠন কৰক। প্রতিজনকে একোটাকৈ প্রশ্ন কৰক আৰু তেওঁ কেনেকৈ ইয়াৰ উত্তৰ দিছে আৰু সংযোগ প্রক্রিয়াটো কেনেকৈ চলোৱা হৈছে সেইটো বিশ্লেষণ কৰক। সেই একেটা অনুশীলনী আপুনি নিজে কৰক আৰু আপোনাৰ বন্ধু কেইজনক আপোনাৰ সংযোগ পদ্ধতিটো নিৰীক্ষণ কৰিবলৈ কওক। অনুশীলনৰ শেষত, সংযোগ প্রক্রিয়াটো আৰ্হিত নির্দ্ধাৰিত ৰীতিৰ কিমানখিনি ওচৰ চাপিছে সেইটো টোকা লিখি থওক। লগতে, অনুশীলনটোত "গেট কিপিং" প্রক্রিয়াটো প্রকৃতাৰ্থত কিমানখিনি প্রযোজ্য হৈছে সেইটোৰো টোকা লিখি থওক।

২.৫ নিয়ামক মতবাদসমূহ (Normative Theories)

সমাজ আৰু জনসাধাৰণৰ ওপৰত গণ-সংযোগৰ অত্যাধিক আৰু সর্বাত্মক প্রভাৱ থকা হেতুকে ই নিশ্চিতভাৱে আমাৰ জীৱনক ব্যাপকভাৱে প্রভাৱান্বিত কৰে। কোনো এখন সমাজ বা দেশৰ প্রচলিত সংযোগ ব্যৱস্থা, চৰকাৰৰ সংযোগ-নীতি, সামগ্রিকভাৱে সেই সমাজখনৰ দৃষ্টিভংগী আৰু ব্যক্তিত্ব, ইত্যাদি বিভিন্ন দিশে, এহাতে সমাজ আৰু ইয়াৰ জনসাধাৰণ, আনহাতে সেই দেশখন নাইবা সমাজৰ গণ সংযোগ ব্যৱস্থাৰ মাজত সম্পর্ক নির্দ্ধাৰণ কৰে।

অনুৰূপ ধৰণে বিপৰীত প্রক্রিয়া এটাও সংঘটিত হোৱাটো সত্য। অর্থাৎ দেশ নাইবা ইয়াৰ জনসাধাৰণৰ সামগ্রিক ব্যক্তিত্ব, তেওঁলোকৰ সচেতনতাৰ পর্যায়। বৌদ্ধিক স্তৰ, সাক্ষৰতাৰ হাৰ আদিয়েও গণ মাধ্যমক বহুখিনি প্রভাৱিত কৰে।

যিহেতুকে আমাৰ জীৱনৰ ওপৰত গণ মাধ্যমৰ অত্যাধিক প্রভাৱৰ মাজত আমি বাস কৰিবলগীয়া হয়, সেইবাবে ই আমাক কেনেকৈ প্রভাৱান্বিত কৰে আৰু বিপৰীতক্রমে আমি কেনেকৈ ইয়াৰ কাম-কাজত প্রভাৱ বিস্তাৰ কৰো সেইটো উপলব্ধি কৰাটো ভাল হ'ব। দুয়োটাৰ মাজত এনে এক নিবিড় আৰু অর্থপূর্ণ সম্পর্কৰ পৰিপ্রেক্ষিততেই সমগ্র বিশ্বতেই সংযোগ বিশেষজ্ঞসকলৰ বাবে গণ মাধ্যম আৰু জন-সাধাৰণৰ মাজৰ পাৰস্পৰিক ক্রিয়া আৰু প্রভাৱৰ কথাটো এটা অতি গুৰুত্বপূর্ণ বিষয় হৈ পৰিছে। সেইবাবে এই সম্পর্কৰ নির্দ্ধাৰণ আৰু ব্যাখ্যা কৰাৰ আধাৰত গৱেষণা চলাই যোৱাৰ লগতে ভৱিষ্যতে এই সম্পর্ক উন্নত কৰাৰ উপায় আৰু পদ্ধতি উদ্ভাৱনৰ চেষ্টা চলাই থকা হৈছে।

যিখন সমাজক ভিত্তি কৰি গণ মাধ্যমসমূহ বর্তি থাকে, তেনে প্রতিখন সমাজৰেই ই "দাপোন"

স্বৰূপ। সেইবাবে স্বাভাৱিকতে সকলো সময়তে ই সেই সমাজখনৰ প্ৰকৃত চৰিত্ৰটো প্ৰতিফলিত কৰা উচিত। যিকোনো লোকে কোনো সময়ত বিশ্বৰ যিকোনো ঠাইৰে কোনো এখন সমাজৰ চৰিত্ৰ আৰু ইয়াৰ বৈশিষ্ট্যসমূহৰ বিষয়ে অধ্যয়ন কৰিব খুজিলে, তেওঁ ইয়াৰ গণ মাধ্যমসমূহত ভালদৰে চকু ফুৰালেই সেইটো কৰিবলৈ সক্ষম হ'ব।

লগতে, এইটোও মনত ৰাখিবলগীয়া কথা যে, বিশ্বৰ সকলো সমাজৰ সেইবোৰৰ নিজস্ব আৰু অতুলনীয় সামাজিক-সাংস্কৃতিক, ৰাজনৈতিক বৈশিষ্ট্য আছে আৰু সেইবোৰে বহু পৰিমাণে সেই দেশসমূহৰ প্ৰচলিত গণ-মাধ্যমৰ চৰিত্ৰ নিৰূপণ কৰে।

গণ মাধ্যমৰ নিয়ামক মতবাদসমূহে চলিত ৰাজনৈতিক আৰু অৰ্থনৈতিক পৰিস্থিতিৰ মাজত গণ-মাধ্যমে কিদৰে কাৰ্য সম্পাদন কৰে তাৰ ব্যাখ্যা কৰে। প্ৰতিখন সমাজেই ইয়াৰ নিজস্ব ৰাজনৈতিক ব্যৱস্থা, ইয়াৰ নীতি আৰু আদৰ্শৰ মানদণ্ড অনুসৰি গণ-মাধ্যমসমূহক নিয়ন্ত্ৰিত কৰে। নিয়ামক মতবাদ অনুসৰি ৰাজনৈতিক ব্যৱস্থাই মাধ্যম আৰু চৰকাৰৰ মাজৰ যথাৰ্থ সম্পৰ্কটো নিৰ্দ্ধাৰণ কৰে। 1956 চনত চিয়েবাৰ্ট আৰু তেওঁৰ সহযোগীসকলে প্ৰথমতে চাৰিটা নিয়ামক মতবাদৰ বিষয়ে উল্লেখ কৰে। এই মতবাদসমূহক পিছলৈ অচল আৰু বৰ্তমান কালৰ মাধ্যমৰ গৱেষণাৰ কামৰ ক্ষেত্ৰত তেনেই একপক্ষীয় যেন বোধ হ'ল। তাৰ পাছত, ডেন্নিচ মেক্‌কুৱেইলে এই চাৰিটা মতবাদৰ সৈতে আৰু দুটা মতবাদ যোগ দিয়ে। এই দুটা মতবাদ অধিক উপযোগী হিচাপে বিবেচিত হ'ল আৰু সেইকেইটা মতবাদেই বৰ্তমান যুগৰ মাধ্যমৰ নীতি আৰু ব্যৱহাৰিকতাৰ মূল তত্ত্ব বহন কৰা যেন দেখা গৈছে।

(ক) কতৃত্ববাদী মতবাদ (Authoritarian Theory)

কৰ্তৃত্ববাদী মতবাদ অনুসৰি মাধ্যম ৰাষ্ট্ৰ নাইবা শাসনবিৰোধী শ্ৰেণীৰ অধীনস্থ আৰু সেইবাবে ই স্বতন্ত্ৰ আৰু নিৰপেক্ষভাৱে ইয়াৰ কাৰ্য সম্পাদন কৰিব নোৱাৰে। যিহেতুকে ইয়াক ৰাষ্ট্ৰযন্ত্ৰৰ এটা বিস্তাৰিত অংগ হিচাপে গণ্য কৰা হয়, সেইবাবে তেনে দেশবোৰত গণ-মাধ্যমৰ কোনো স্বাধীনতা নাথাকে আৰু ই সেই দেশৰ চৰকাৰৰ নিৰ্দেশ মানি চলিব লগীয়া হয়।

এনে দেশবোৰক মাধ্যমৰ ক্ষেত্ৰত বিভিন্ন প্ৰকাৰৰ চেঞ্চৰ বা নিয়ন্ত্ৰণৰ ব্যৱস্থা থাকে আৰু সেইবোৰে সাধাৰণতে কৰ্তৃপক্ষৰ বিৰূপ সমালোচনা আৰু চৰকাৰী বিধিৰ উলংঘা কৰাটো বাৰণ কৰে।

স্বেচ্ছাসেৱী আৰু একনায়কত্বৰ শাসনৰ দেশসমূহ এনে মাধ্যম ব্যৱস্থাৰ উপযুক্ত দৃষ্টান্ত। অৱশ্যে, লগতে এইটোও মন কৰিবলগীয়া যে আনকি গণতান্ত্ৰিক দেশসমূহতো ৰাষ্ট্ৰীয় পৰ্যায়ৰ জৰুৰী অৱস্থা ঘোষণাৰ সময়ত সাময়িকভাৱে হ'লেও মাধ্যমৰ স্বাধীনতা খৰ্ব কৰিবলগীয়া হ'ব পাৰে।

স্বেচ্ছাসেৱী শাসন ব্যৱস্থাত মাধ্যম শাসনাধিষ্ঠ চৰকাৰলৈ কেৱল সমৰ্থন আগবঢ়াই থাকিব পাৰে। কিন্তু চৰকাৰৰ সমালোচনাত লিপ্ত হ'ব নোৱাৰে।

এই মতবাদৰ মূল কথাকেইটা হ'লঃ-

- সংবাদ মাধ্যম হ'ল ৰাষ্ট্ৰৰ বশৱৰ্তী আৰু সেইবাবে শাসনাধিষ্ঠ কতৃপক্ষৰ মর্য্যাদা অৱনমিত কৰাৰ সম্ভাৱনা থকা যিকোনো কার্যৰ পৰা সংবাদ মাধ্যম বিৰত থাকিব লাগিব।
- প্রমুখ ৰাজনৈতিক দল, গোষ্ঠী, সমাজ আদিৰ অসন্তুষ্টিৰ সৃষ্টি কৰিব পৰা বিধৰ বিষয় নাইবা বা-বাতৰি পৰিৱেশনৰ পৰা মাধ্যম বিৰত থাকিব লাগিব।
- অবাঞ্চিতভাৱে বা অকাৰণত সংখ্যাগৰিষ্ঠ লোকসমষ্টি বা সমাজক কোনো প্রকাৰে অসন্তুষ্ট কৰাটো এৰাই চলিব লাগিব আৰু তেওঁলোক যাতে অসন্তুষ্ট নহয় তাৰ বাবে প্রচলিত নৈতিক আৰু সামাজিক মূল্যবোধসমূহ সংবাদ মাধ্যমে মনোযোগ সহকাৰে ৰক্ষা কৰিব লাগিব।
- সংবাদ মাধ্যমে কোনো ধৰণৰ গণশিক্ষাৰ বা শিক্ষনাত্মক কাম কৰাৰ প্রয়োজন নাই। ই সদায় জনগণক মনোৰঞ্জন দানৰ চেষ্টা চলাব লাগিব। সংবাদ মাধ্যমে তথ্য আৰু বার্তাৰ প্রচাৰৰ যোগে জনসাধাৰণৰ মাজত বৌদ্ধিক বিকাশ ঘটোৱাত বাধা প্রদানৰ বাবে এনে কৰা হয়।
- শাসক গোষ্ঠীৰ নিৰাপত্তাৰ স্বার্থত তথ্যৰ গণ প্রচাৰত বাধা দিয়াৰ কাৰণে সাধাৰণতে মাত্র মুষ্টিমেয় অনুষ্ঠান-প্রতিষ্ঠানকহে সংবাদ মাধ্যম সংস্থা স্থাপনৰ অনুমতি দিয়া হয়। শাসক কর্তৃপক্ষই সচেতন জনসাধাৰণৰ পৰা ইয়াৰ বিৰুদ্ধে কোনো প্রকাৰৰ বিদ্রোহ নাইবা প্রতিবাদৰ উদ্ভৱ হোৱাটো নিবিচাৰে।
- উপৰোক্ত দিশবোৰ বিচাৰ কৰিলে স্বাভাৱিকতে এইটো প্রতীয়মান হয় যে সংবাদসেৱী আৰু সাংবাদিকসকলৰ প্রকৃতার্থত কোনো বাক্ নাইবা প্রকাশৰ স্বাধীনতা নাথাকে, কাৰণ, বিচৰামতে তেওঁলোকে কোনো কথা বা কোনো এটা বিষয়ে লিখিব বা প্রচাৰ কৰিব নোৱাৰে।
- গণ-মাধ্যমসমূহৰ কাম-কাজত যি পর্যন্ত শাসকগোষ্ঠী সন্তুষ্ট আৰু প্রসন্ন হৈ থাকে, সেই পর্যন্ত সকলোবোৰ সুন্দৰভাৱে চলি থাকে। কিন্তু যেতিয়াই শাসক শ্রেণী অথবা দেশৰ ভিতৰৰে হওক বা বাহিৰৰে হওক, তেওঁলোকৰ মিত্রপক্ষৰ স্বার্থৰ পৰিপন্থী হোৱা ধৰণে যদি সংবাদ মাধ্যমে আচৰণ কৰিবলৈ লয়, তেতিয়াই ই বিপদৰ সন্মুখীন হ'বলগীয়া হয়।

(খ) ইচ্ছাস্বাতন্ত্রবাদী মতবাদ (Libertarian Theory)

মুক্ত সংবাদপত্র মতবাদ হিচাপেও পৰিচিত ইচ্ছা স্বতন্ত্রবাদী মতবাদ ব্যক্তিৰ প্রকাশৰ স্বাধীনতাৰ মৌলিক অধিকাৰৰ ওপৰত আধাৰিত। এই মতবাদে ব্যক্তিগত আৰু সামাজিকভাৱে নিজৰ মতামত স্থিৰ কৰা আৰু প্রকাশ কৰাৰ পোষকতা কৰে। এই মতবাদ অনুসৰি সংবাদ মাধ্যম নিজে উপযুক্ত আৰু পর্যাপ্ত বুলি ভবা ধৰণে ইয়াৰ কর্তব্য আৰু দায়িত্ব সম্পাদন কৰিবলৈ সম্পূর্ণ মুক্ত কোনো এটা অনুষ্ঠান বা এজন ব্যক্তিয়ে যিমানেই স্বাধীনতা উপভোগ নকৰক, তাৰ বিনিময়ত ইয়াৰ সৈতে সেই অনুষ্ঠানটোৰ বা ব্যক্তিজনৰ ভালেখিনি দায়িত্বও নিহিত হৈ থকাৰ বিশ্বাসটোৰ আধাৰতে এই মতবাদ প্রতিষ্ঠিত। সেই বাবে এনে স্বাধীনতা সম্পূর্ণৰূপে উপভোগ কৰাৰ বাবে

সেই অনুষ্ঠানটোৱে বা ব্যক্তিজনে লাভ কৰা স্বাধীনতাৰ অনুৰূপে নিজৰ দায়িত্বও পালন কৰিব লাগিব।

ইউৰোপ, বিশেষভাৱে প্ৰকাশ আৰু ব্যক্তি-স্বাধীনতাৰ অগ্ৰণী পৃষ্ঠপোষক ৰাষ্ট্ৰ গ্ৰেট ব্ৰিটেইন মূলৰ এই ব্যৱস্থা নাইবা ধাৰণাটো প্ৰধানকৈ গণতান্ত্ৰিক দেশসমূহত প্ৰচলিত আৰু সেই দেশবোৰত মাধ্যমসমূহে দায়িত্বশীলতাৰে নিজৰ কৰ্তব্য সম্পাদনাৰ ক্ষেত্ৰত ৰাষ্ট্ৰৰ কৰ্তৃপক্ষৰ পৰা যিকোনো প্ৰকাৰৰ নিয়ন্ত্ৰণমুক্ত।

উদাহৰণস্বৰূপে, আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংবিধানে কংগ্ৰেছক (দেশৰ বিধানমণ্ডলক) জনসাধাৰণৰ মতামত প্ৰকাশৰ স্বাধীনতা সীমিত কৰিব পৰা যিকোনো আইন প্ৰণয়ন কৰাত বাধা আৰোপ কৰিছে।

ভাৰতৰ ক্ষেত্ৰতো, দেশখনৰ সংবিধানে ইয়াৰ 19ৰ পৰা 24 অনুচ্ছেদত সুবিস্তৃতভাৱে মত প্ৰকাশৰ স্বাধীনতাৰ ব্যৱস্থা সন্নিৱিষ্ট কৰিছে আৰু ইয়াত গণ মাধ্যমকো যথেষ্ট স্বাধীনতা দিয়া হৈছে।

বিশ্ব পৰ্যায়ত চাবলৈ গ'লে মূলতঃ বৃটিছ চৰকাৰে পুঁজিৰ যোগান ধৰা স্বত্বেও, গণ-মাধ্যমে কিদৰে নিজৰ স্বতন্ত্ৰতা ৰক্ষা কৰি প্ৰকাশৰ স্বাধীনতা উপভোগ কৰিব পাৰে তাৰ আদৰ্শনীয় দৃষ্টান্ত হ'ল - " ব্ৰিটিছ ব্ৰডকাষ্টিং কৰ্প'ৰেচন" (বি.বি.চি.)।

বহু সময়ত, পৰিস্থিতিয়ে বাধ্য কৰিলে, কোনো সংকটাৱস্থা বা কোনো বিতৰ্কিত প্ৰশ্নৰ সন্দৰ্ভত বি. বি. চি.য়ে বৃটিছ চৰকাৰৰ প্ৰতি কোনো অনুকূল বা পক্ষপাতমূলক দৃষ্টিভংগী গ্ৰহণ নকৰাকৈ ইয়াৰ প্ৰচাৰৰ মানদণ্ড অক্ষুণ্ণ ৰখাৰ বহুতো দৃষ্টান্ত পোৱা যায়। মূলতঃ এই মতবাদে ক'ব খোজা কথাকেইটা হ'ল ঃ-

- সংবাদ মাধ্যম চৰকাৰৰ নিয়ন্ত্ৰণমুক্ত হোৱা উচিত।
- নিজৰ বিচাৰ-বিবেচনা অনুসৰি যিকোনো বিষয় প্ৰচাৰ/প্ৰকাশৰ বাবে সংবাদ মাধ্যমৰ স্বাধীনতা থকা উচিত।
- চৰকাৰ বা কোনো ৰাজনৈতিক দলৰ বিৰুদ্ধে কোনো কথা লিখাৰ বাবে সংবাদ মাধ্যম, দণ্ডনীয় হোৱা অনুচিত। ৰৱঞ্চ তেনে কৰিবলৈ সংবাদ মাধ্যমে উপযুক্ত স্বাধীনতা পোৱা উচিত।
- কোনো এটা বিষয় প্ৰকাশ কৰিবলৈ সংবাদ মাধ্যম কোনো বাধ্য-বাধকতাৰ সন্মুখীন হোৱাটো উচিত নহয়।
- সংবাদ মাধ্যমত প্ৰকাশ/প্ৰচাৰৰ বাবে তথ্যৰ সংগ্ৰহৰ ক্ষেত্ৰত কোনো প্ৰকাৰৰ বাধা থকাটো অবাঞ্ছনীয়।

(গ) সামাজিক দায়বদ্ধতাৰ মতবাদ (Social Responsibility Theory)

এই মতবাদ অনুসৰি সংবাদ মাধ্যমে যিহেতুকে সমাজত সুদূৰ-প্ৰসাৰী পৰিণাম থকা বা-বাতৰি আৰু মতামত আদি পৰিৱেশনৰ গুৰুত্বপূৰ্ণ কামত লিপ্ত থাকিব লগীয়া হয়, সেইবাবে ই

ইয়াৰ কাম-কাজৰ পৰিচালনাৰ ক্ষেত্ৰত উচ্চ-মানৰ বস্তুনিষ্ঠতা আৰু বৃত্তিগত মানদণ্ড ৰক্ষা কৰিব লাগে।

সাংবাদিককে ধৰি বৃত্তিধাৰী সংযোগকাৰীসকলে কেতিয়াও সত্য, শুদ্ধতা, নিৰপেক্ষতা আৰু ভাৰসাম্যতাৰ ক্ষেত্ৰত আপোচ কৰাটো উচিত নহয়। নিজৰ কাম সম্পাদন কৰোতে সংবাদ মাধ্যমে আইন আৰু প্ৰতিষ্ঠিত সংস্থাসমূহৰ নীতি অনুসৰি চলাটো উচিত। কেৱল সেইটোৱে নহয়, যিকোনো পক্ষ বা ব্যক্তিৰ পৰা হোৱা একপক্ষীয় বা ন্যস্ত স্বাৰ্থজড়িত প্ৰচেষ্টা প্ৰতিহত কৰাৰ কাৰণে তেওঁলোকে এটা দৃঢ় মনোভাৱ সম্পন্ন আত্ম-নিয়ন্ত্ৰণ ব্যৱস্থা গঢ়ি তুলিব লাগিব।

সহজ ভাষাত, সমাজৰ সামগ্ৰিক কল্যাণৰ বাবে ক্ষতিকাৰক হ'ব পৰা বা-বাতৰি আৰু ক্যৰ্যসূচী পৰিহাৰ কৰিবলৈ সংবাদ মাধ্যম সম্প্ৰদায়ে নিজস্ব আৰু সামাজিক ভাবাদৰ্শেৰে অনুপ্ৰাণিত আত্ম-নিয়ন্ত্ৰণ আৰু আত্ম-সংযমমূলক ভূমিকা গ্ৰহণ কৰিব লাগিব। উদাহৰণস্বৰূপে, কোনো এটা বাতৰি প্ৰকাশ হ'লে ই প্ৰত্যক্ষ বা পৰোক্ষভাৱে সমাজৰ কোনো প্ৰকাৰৰ ক্ষতি কৰাৰ সম্ভাৱনা থকা যেন লাগিলে, তেনে বাতৰি হয় পৰিহাৰ কৰিব লাগিব, নহয়, কোনো প্ৰকাৰৰ ক্ষতিসাধন কৰিব নোৱাৰা ধৰণে ইয়াকে যথোচিতভাৱে প্ৰকাশ বা প্ৰচাৰ কৰিব লাগিব।

সাংবাদিকতাৰ চাৰিটা মতবাদৰ সহ-ৰচয়িতা, থিণ্ডড'ৰ পিটাৰচনৰ মতে "দায়িত্ববোধ হ'ল স্বাধীনতাৰ সহগামী আৰু আমাৰ চৰকাৰৰ (আমেৰিকাৰ চৰকাৰৰ) আমোলত বিশেষাধিকৃত স্থান লাভ কৰা সংবাদ-পত্ৰই সমসাময়িক সমাজখনত গণ-সংযোগৰ কেতবোৰ আৱশ্যকীয় কাম-কাজ সম্পন্ন কৰোঁতে সেই সমাজখনৰ প্ৰতি দায়বদ্ধ হ'বলৈ বাধ্য।"

আনহাতে এই মতবাদৰ সমালোচকসকলে ভাৱে যে "চে'ল্‌ফ চেঞ্চৰশ্বিপ" বা আত্ম-নিয়ন্ত্ৰণৰ পদ্ধতি ৰূপে "সামাজিক দায়বদ্ধতা"ই পাঠক নাইবা শ্ৰোতা দৰ্শকক তেওঁলোকে ভৰিষ্যতে লাভজনক হ'ব পৰা ধৰণৰ তথ্য লাভৰ পৰা বঞ্চিত কৰে।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংবাদপত্ৰৰ স্বাধীনতা সম্পৰ্কীয় আয়োগৰ প্ৰতিবেদন (হাটচিনচ্ 1947)ক মূলাধাৰ হিচাপে লৈ এই মতবাদটো গঢ় লৈ উঠিছে। আয়োগে ইয়াৰ প্ৰতিবেদনত কৈছে যে মুক্ত বজাৰ অৰ্থনীতিত বাস্তৱাৰ্থত তথ্যৰ সৰবৰাহ আৰু মনোৰঞ্জনৰ প্ৰয়োজন পূৰণৰ ক্ষেত্ৰত সমাজৰ প্ৰত্যাশাৰ সমতুল্য হোৱাত সংবাদ মাধ্যম ব্যৰ্থ হৈছে। সেইবাবে এই পৰিস্থিতিৰ উন্নতি কৰাৰ দিশত মাধ্যমে নিজে চকু দিয়াটো দৰকাৰী হৈছে। অৰ্থাৎ আয়োগে ভাবে যে এই সমস্যাটোৰ সমাধান সংবাদ মাধ্যমৰ সৈতে জড়িত লোকসকলে নিজৰ ফালৰ পৰা উদ্ভাৱন কৰিব লাগিব আৰু এনে কৰাত বাহিৰৰ কোনো সংস্থাই তেওঁলোকৰ ওপৰত একো এটা বাধ্য-বাধকতা আৰোপ কৰিব নালাগিব।

ইয়াৰ ফলত সংবাদ মাধ্যম সম্প্ৰদায়ৰ মাজত আত্ম-নিয়ন্ত্ৰক সংস্থা আৰু ব্যৱস্থাই গঢ় লৈ উঠিল। সেইবোৰ হ'ল - সম্পাদকীয় আৰু সাংবাদিকতাৰ বৃত্তিৰ সুৰক্ষা সম্পৰ্কীয় পৰিনিয়মৰ প্ৰণয়ন, সাৰ্বজনীন আচৰণ বিধিৰ প্ৰস্তুতকৰণ, একাধিপত্য বিৰোধী আইনৰ ৰূপায়ণ নিশ্চিতকৰণ, বিজ্ঞাপনৰ অধিনিয়ম আদি।

উদাহৰণস্বৰূপে, 2001 চনত নিউৰ্কৰ দ্বৈত টাৱাৰত সন্ত্রাসবাদীৰ দ্বাৰা সংঘটিত বিস্ফোৰণৰ ঘটনাটো আপুনি যদি সংবাদ মাধ্যমত দেখাৰ সুযোগ পাইছিল, তেতিয়া আপুনি নিশ্চয় মন কৰিছে যে মাধ্যমসমূহত মৃতদেহ বা আহত লোকৰ ফটো আদি দেখুৱা হোৱা নাছিল বুলিয়েই ক'ব পাৰি। জনসাধাৰণৰ মাজত যাতে আৰু অধিক ত্রাসৰ সৃষ্টি নহয়, সেইটোৰ প্রতি লক্ষ্য ৰাখিয়েই সেই দেশৰ সংবাদ মাধ্যমে জানি-বুজি এনে সিদ্ধান্ত লৈছিল। ইয়াকেই "চেলফ্ চেঞ্চৰশ্বিপ" বা আত্ম নিয়ন্ত্রণ বুলি ক'ব পাৰি।

ইয়াৰ বিপৰীতে আমাৰ সংবাদ মাধ্যমসমূহত আমি কি দেখিবলৈ পাওঁ? ৰাতিপুৱাতেই বাতৰি-কাকত নাইবা সংবাদ চেনেলসমূহত হিংসাত্মক ঘটনাৰ ছবিসমূহ আমাৰ চকুত পৰেহি। এনেকুৱা অপ্রিয় দৃশ্যই কেৱল যে আমাৰ মনকেই ভাৰাক্রান্ত কৰি তোলে এনে নহয়, সাধাৰণভাৱে এইবোৰে মনৰ শান্তিও ভংগ কৰিব পাৰে।

তদুপৰি, সংবাদ মাধ্যমসমূহে যেতিয়া বিচ্ছিন্নতাবাদী বা সন্ত্রাসবাদী গোট, দুষ্কৃতিকাৰী বা সমাজবিৰোধী চক্রৰ কার্যকলাপ সম্পর্কীয় বাতৰি, ছবি নাইবা সেইবোৰৰ ওপৰত দিয়া মতামত আদিকে ধৰি বিভিন্ন বাতৰিৰ ওপৰত আলোকপাত কৰে, তেতিয়া সেইবোৰে যথার্থত এনে শক্তিসমূহৰ মনোবলহে বৃদ্ধি কৰে। কাৰণ এনে বা-বাতৰিৰ যোগে বহুসংখ্যক লোকে এই সংগঠনসমূহৰ কার্য-ক্রিয়াৰ বিষয়ে অৱগত হয় আৰু সেইবোৰৰ দ্বাৰা তেওঁলোক প্রভাৱিত হয়। সেইবাবে এনে ঘটনাৰ প্রচাৰ বা প্রকাশ কৰোতে কোনটো ঘটনা উদঙাই ধৰিব আৰু কোনটোত আলোকপাত কৰা নহ'ব তাৰ মাজত এটা সুবিবেচিত ভাৰসাম্যতা ৰক্ষা কৰিব লাগিব।

এই মতবাদে মূলতঃ ক'ব বিচাৰে যে -

- মাধ্যমসমূহে মূলতঃ বৃত্তিমূলক উচ্চ মানদণ্ড নির্দ্ধাৰণৰ দৰে কিছুমান সামাজিক বাধ্য-বাধকতা আৰু দায়িত্ব বহন কৰিব লাগিব।
- সত্য, শুদ্ধতা, বস্তুনিষ্ঠতা, প্রামানিকতা, ভাৰসাম্যতা আৰু সংযম সংবাদ মাধ্যমৰ বৃত্তিৰ আধাৰশিলা হ'ব লাগিব।
- সংবাদ মাধ্যমে দেশৰ আইন আৰু সামাজিক মানদণ্ডৰ সৈতে সামঞ্জস্যপূর্ণ আত্ম-নিয়ন্ত্রণৰ অনুশীলন কৰিব লাগিব।
- সংবাদ মাধ্যমৰ সকলো বৃত্তিধাৰী লোক তেওঁলোকৰ সমাজ আৰু তেওঁলোকৰ সস্থাসমূহৰ ওচৰত জবাবদিহি হোৱা উচিত।

(ঘ) চোভিয়েট সাম্যবাদী মতবাদ (Soviet Communist Theory)

চোভিয়েট সাম্যবাদী মতবাদটো কমিউনিষ্ট ভাৱাদর্শৰ সৈতে সহবদ্ধ। চিয়েবার্টে 1917 চনৰ ৰুচ বিপ্লৱত এই মতবাদৰ মূল শিপা বিচাৰি পাইছে। এই মতবাদ অনুসৰি সংবাদ প্রতিষ্ঠানসমূহ কোনো ব্যক্তিগত মালিকৰ হাতত থাকিব নালাগে আৰু সেইবোৰে শ্রমিক শ্রেণীৰ স্বার্থৰ হকে কাম কৰিব লাগিব।

চোভিয়েট সাম্যবাদী মতবাদ অনুসৰি গণ-সংযোগ হ'ল সাম্যবাদ বিকাশ কৰিবলৈ ব্যৱহৃত

ৰাষ্ট্ৰৰ এটা উপকৰণ বা আহিলা। সংবাদ মাধ্যমৰ নিজৰ কোনো স্বকীয় পৰিচয় নাই। চোভিয়েট ব্যৱস্থাৰ নিদৰ্শনটো দেখাত কৰ্তৃত্ববাদী মতবাদৰ সৈতে একে যেন লাগিব, কাৰণ দুয়োটা মতবাদতেই সংবাদ মাধ্যমতকৈ চৰকাৰক শ্ৰেষ্ঠ হিচাপে গণ্য কৰা হয়। কিন্তু দুয়োটা মতবাদৰ মাজত এটা ডাঙৰ প্ৰভেদ আছে আৰু সেইটো সুস্পষ্ট কৰি দিয়াটো আৱশ্যক। চোভিয়েট আৰ্হিটোত বাৰ্তাসমূহৰ বিষয়-বস্তুৰ ক্ষেত্ৰত গণ মাধ্যমসমূহ আত্ম-নিয়ন্ত্ৰণাত্মক হোৱাৰ আশা কৰা হয়। কৰ্তৃত্ববাদী মতবাদৰ সৈতে চোভিয়েট মতবাদৰ আন এটা ডাঙৰ প্ৰভেদ হ'ল এয়ে যে, ইয়াত শ্ৰোতা-দৰ্শকমণ্ডলী বা অডিয়েন্সৰ বাঞ্ছা পুৰণ কৰাত সংবাদ মাধ্যম প্ৰতিষ্ঠানৰ কেতবোৰ দায়িত্ব থাকে। অৱশ্যে, মাৰ্ক্স লেনিনবাদী নীতিৰ সৈতে সামঞ্জস্য ৰক্ষা কৰি বিশ্বৰ এখন সম্পূৰ্ণ আৰু নিৰপেক্ষ দৃশ্যপট দাঙি ধৰাৰ বাবে ইয়াত এটা অন্তৰ্নিহিত চিন্তাধাৰা থকা দেখা যায়।

সম্প্ৰতি এই মতবাদটোৰ কেৱল এটা ঐতিহাসিক মূল্যহে আছে। আশীৰ দশকৰ মাজভাগৰ পৰা আৰম্ভ কৰি চোভিয়েট ইউনিয়ন ভংগ হোৱাৰ পৰৱৰ্তী সময়লৈ, ৰাছিয়াই সামাজিক দায়বদ্ধতাৰ নীতিৰ প্ৰায়, ওচৰা-উচৰি ধৰণৰ এটা গণ মাধ্যম আৰ্হি অনুসৰণ কৰি আহিছে। চোভিয়েট মাধ্যম মতবাদৰ বৰ্তমানৰ জ্বলন্ত উদাহৰণ হ'ল - চীন দেশৰ সংবাদ মাধ্যম ব্যৱস্থা। তাত টেলিভিশ্যন, ৰেডিঅ' আৰু সংবাদ-পত্ৰসমূহ কমিউনিষ্ট চৰকাৰে নিয়ন্ত্ৰণ কৰে।

এই মতবাদৰ মূল কথা হ'ল ঃ

- সংবাদ মাধ্যমৰ কোনো ব্যক্তিগত মালিকানা থাকিব নোৱাৰে। শ্ৰমিক শ্ৰেণীয়েই হ'ল ইয়াৰ মালিক আৰু তেওঁলোকৰ স্বাৰ্থৰ হকে সংবাদ মাধ্যমে কাম কৰিব লাগিব।
- শিক্ষাদান, তথ্যৰ সৰবৰাহ, প্ৰেৰণা সৃষ্টি আৰু জনতাক সংগঠিত কৰাৰ দৰে কেতবোৰ দায়িত্ব সংবাদ মাধ্যমে বহন কৰিব লাগিব।
- সমাজবিৰোধী বিষয় প্ৰকাশ কৰাৰ বাবে সমাজে সংবাদ মাধ্যমক দণ্ডনীয় কৰিব পাৰে।
- সংবাদ মাধ্যম ৰাষ্ট্ৰৰ সেৱাত উৎসৰ্গীকৃত হ'ব লাগিব। ই সমাজৰ আশা আকাংক্ষা আৰু প্ৰয়োজন পূৰণ কৰিব লাগিব আৰু সমাজৰ এখন পূৰ্ণাঙ্গ আৰু নিৰপেক্ষ চিত্ৰ দাঙি ধৰিব লাগিব।

(ঙ) বিকাশ মাধ্যম মতবাদ (Development Media Theory)

বিকাশ মাধ্যম মতবাদত কোৱা হৈছে যে দেশ নাইবা সমাজৰ বিকাশ সাধনত সংবাদ মাধ্যমক বহুলভাৱে কামত প্ৰয়োগ কৰিব পাৰি। এনে হোৱাৰ কাৰণ হ'ল এয়ে যে জীৱন নিৰ্বাহৰ বিভিন্ন কাৰ্য সম্পাদনৰ ক্ষেত্ৰত জনসাধাৰণক জ্ঞান-সমৃদ্ধ কৰি তোলাৰ বাবে বিস্তৃতভাৱে তেওঁলোকৰ তথ্যৰ প্ৰয়োজন পূৰণ কৰি মাধ্যমে সহায় আগবঢ়াব পাৰে।

আমাৰ দৰে উন্নয়নশীল দেশসমূহত জনসাধাৰণৰ মাজত "উপযোগী তথ্য"ৰ অভাৱেই হ'ল এটা অতি উল্লেখযোগ্য অপূৰ্ণতা। কোনো এজন ব্যক্তিয়ে উপযুক্ত তথ্য লাভ কৰিব পাৰিলে, তেওঁ ভালদৰে সেই তথ্যৰ প্ৰয়োগ কৰি জীৱন ধাৰণৰ মান উন্নত কৰিব পাৰে। সংবাদ মাধ্যমসমূহে মানুহৰ দু�ৰাৰদলিলৈ তথ্য বহন কৰি নি এই অতি প্ৰয়োজনীয় ভূমিকাটো পালন কৰিব লাগিব।

ঔপনিবেশিক শাসনৰ পৰা মুক্ত হোৱাৰ পাছতেই তৃতীয় বিশ্বৰ দেশসমূহে সন্মুখীন হোৱা অতি প্রত্যাহ্বানমূলক কাম আছিল সেই দেশসমূহৰ জনসাধাৰণক জীৱন ধাৰণৰ আধুনিক পদ্ধতিৰ বিষয়ে সচেতন কৰি তোলা। যিহেতুকে সেইবোৰ দেশৰ সর্বসাধাৰণ লোকৰ সৰহ সংখ্যকে আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ সুফল লাভ কৰিব পৰা নাছিল, সেইবাবে এনে কৰাটো আৱশ্যকীয় হৈ পৰিছিল আৰু বর্তমানেও আনকি এই অৱস্থাটো এটা উদ্বেগৰ বিষয় হৈ আছে।

এনে বিষয়সমূহৰ সম্পর্কত জনসাধাৰণৰ মনত সজাগতাৰ সৃষ্টি কৰাৰ কাৰণে গণ মাধ্যমে "অনানুষ্ঠানিক বিশ্ববিদ্যালয় হিচাপে কাম কৰা দায়িত্ব ল'বলগীয়া হ'ল। আন কথাত, গণ মাধ্যমসমূহে চৰকাৰৰ উন্নয়ন নীতিৰ ব্যাপক প্রচাৰকৰ ভূমিকা পালন কৰাৰ প্রত্যাশা কৰা হ'ল।

ইয়াকে "মাধ্যমৰ সক্রিয়তাবাদ" বুলি ক'ব পাৰি আৰু ইয়াৰ দ্বাৰা যি জনসাধাৰণৰ উদ্দেশ্যে মাধ্যমৰ সৃষ্টি হয়, সেই জনসাধাৰণৰ মাজত উন্নয়নৰ সুফলসমূহ বিতৰণ কৰি চৰকাৰ নাইবা সমাজৰ হৈ মাধ্যমে এটা মহৎ উদ্দেশ্য সাধন কৰিব পাৰে।

এই মতবাদৰ মূল কথাকেইটা হ'ল ঃ-

- প্রতিষ্ঠিত নীতিৰ সৈতে সামঞ্জস্য ৰক্ষা কৰি মাধ্যমে ইতিবাচক উন্নয়ন কার্যত অৰিহণা যোগোৱাৰ দায়িত্ব গ্রহণ কৰিব লাগিব।
- সংবাদ মাধ্যমে দেশৰ ভাষা আৰু সংস্কৃতিৰ পৰিপুষ্টি সাধন কৰিব লাগিব।
- অর্থনৈতিক তথা উন্নয়নৰ ক্ষেত্রত সমাজৰ অগ্রাধিকাৰৰ প্রতি লক্ষ্য ৰাখি সংবাদ মাধ্যমৰ স্বাধীনতা কিছু পৰিমাণে সীমিত হোৱা উচিত আৰু দেশৰ উন্নয়নৰ স্বার্থত চৰকাৰে সংবাদ মাধ্যমৰ কার্য পৰিচালনাত হস্তক্ষেপ কৰিব পাৰে।
- সংবাদ মাধ্যমৰ নিজস্ব স্বাধীনতা থাকিলেও সেই স্বাধীনতা দায়িত্বশীলতাৰ মনোভাৱেৰে প্রয়োগ কৰিব লাগিব।

(চ) গণতান্ত্রিক সহভাগী মাধ্যম মতবাদ (Democratic Participant Media Theory):

এই মতবাদত মালিক পক্ষৰ স্বার্থতকৈ জনসাধাৰণৰ প্রয়োজন আৰু তেওঁলোকৰ আশা-আকাংক্ষাকেই মাধ্যমৰ বাবে মূল চিন্তাৰ বিষয় হোৱাৰ পোষকতা কৰা হৈছে।

ইয়াৰ মূল অর্থ হ'ল এয়ে যে মাধ্যমে পাঠক-মণ্ডলীৰ সৰহ সংখ্যকক ইয়াৰ কাম-কাজত অংশগ্রহণৰ সুবিধা দিয়াৰ বাবে প্রয়োজনীয় সকলোখিনি কৰা উচিত। এনে কৰাৰ ফলত জনসাধাৰণে সন্মুখীন হোৱা সমস্যা আৰু তেওঁলোকৰ স্বার্থ মাধ্যমত পর্যাপ্তৰূপে প্রতিফলিত হোৱাটো সুনিশ্চিত হয়।

"গণতান্ত্রিক বিকেন্দ্রীকৰণ" বোলা কথাটোৰ সৈতে আপুনি বোধহয় পৰিচিত। ইয়াৰ অর্থ হ'ল, কোনো এটা বিশেষ কার্যত মাত্র কেইজনমান ব্যক্তিক সিদ্ধান্ত গ্রহণ কৰিবলৈ এৰি নিদি, সর্বাধিক সংখ্যক লোক বা জনসাধাৰণক এনে সিদ্ধান্ত গ্রহণৰ কামত প্রতিনিধিত্ব কৰাৰ সুযোগ দিয়া। এই মতবাদটো এনে এটা বিবেচনাৰ আধাৰতে গঢ় লৈ উঠিছে অর্থাৎ কর্তৃপক্ষই লোৱা কোনো এটা সিদ্ধান্তৰ ক্ষেত্রত অধিকৰ পৰা অধিকতৰ লোকক মাত মতাৰ সুবিধা দিব লাগিব।

যোৱা কিছু বছৰ ধৰি সহভাগী গণ মাধ্যমৰ ধাৰণাটোৱে গুৰুত্ব লাভ কৰি আহিছে। উদাহৰণস্বৰূপে, আজি আমাৰ দেশৰ জনসংখ্যা 105 কোটিৰো অধিক হৈছে আৰু ইয়াত প্ৰতি বছৰে প্ৰকাশিত এবছৰতে মুঠ 62000 সংবাদপত্ৰ আৰু আলোচনীৰ প্ৰায় 20 কোটি কপিৰ প্ৰচলন হয়। এনে অৱস্থাত কোনো এখন সংবাদ-পত্ৰ, টেলিভিশ্যন বা ৰেডিঅ' চেনেলে যদি কেবা লাখো লোক নাইবা সেইবোৰৰ লক্ষিত শ্ৰোতা-দৰ্শক-পাঠকৰ প্ৰয়োজনৰ চাহিদা পূৰণ কৰিবলগীয়া হয়, তেতিয়া সেই চেনেল বা সংবাদ পত্ৰই আমাৰ জনসংখ্যাৰ এক-চতুৰ্থাংশকো যথোচিতভাৱে সামৰি ল'ব পৰাটো আশা কৰিব নোৱাৰি।

ভাৰতবৰ্ষত প্ৰায় 1700 ভাষা আৰু দোৱান আছে। সেইবোৰৰ প্ৰতিটোৰ নিজস্ব আৰু পৃথক পৰিচিতি আৰু বৈশিষ্ট আছে। সেইবাবে কেন্দ্ৰীয় চৰকাৰে সৰু সৰু এলেকা আৰু ক্ষুদ্ৰাকৃতিৰ লক্ষিত শ্ৰোতা-দৰ্শকৰ বাবে টেলিভিশ্যন আৰু ৰেডিঅ'ৰ দৰে মাধ্যমৰ ক্ষুদ্ৰ আকাৰৰ গণ মাধ্যম কেন্দ্ৰ স্থাপন আৰু সেইবোৰক উদ্‌গনি দিয়াৰ নীতি গ্ৰহণ কৰিছে। ইয়াৰ দ্বাৰা অতি বৃহৎ সংখ্যক লক্ষিত শ্ৰোতা-দৰ্শকৰ মাজত কিছু সংখ্যক লঘু লোকক সামৰি লোৱাৰ সলনি এনে কেন্দ্ৰ যোগে সমগ্ৰ লক্ষিত শ্ৰোতা-দৰ্শকৰ প্ৰয়োজন যথোচিতভাৱে পূৰণ কৰিব পৰা হ'ব বুলি আশা কৰা হৈছে। যোৱা কেইটামান বছৰত ভাৰত চৰকাৰৰ তথ্য আৰু অনাতাঁৰ মন্ত্ৰালয়ে দেশত "সমূহীয়া ৰেডিঅ' বা Community Radio ব্যৱস্থা গঢ়ি তোলাত উদ্‌গনি দিয়াৰ যি নীতি গ্ৰহণ কৰিছে সেইটো মাধ্যমৰ সৈতে অধিক সংখ্যক লোকক জড়িত কৰাৰ প্ৰচেষ্টাৰ এটা সুন্দৰ উদাহৰণ বুলি ক'ব পাৰি।

এই মতবাদৰ মূল কথাকেইটা হ'ল ঃ

- শ্ৰোতা-দৰ্শক মণ্ডলী বা অ'ডিয়েন্সে মাধ্যমক নিয়ন্ত্ৰণ কৰিব লাগিব আৰু ব্যক্তিগত নাগৰিক আৰু সংখ্যালঘু গোটসমূহৰ সংযোগৰ অধিকাৰ থাকিব লাগিব।
- অনুষ্ঠান প্ৰতিষ্ঠান আৰু স্থানীয় সম্প্ৰদায়সমূহৰ নিজৰ নিজৰ মাধ্যম থকা উচিত।
- মাধ্যম ক্ষুদ্ৰ আকাৰৰ আৰু সহভাগী হ'ব লাগিব আৰু সম্প্ৰদায়সমূহৰ নিজস্ব প্ৰয়োজন আৰু আশা-আকাংক্ষা পূৰণ কৰিব পাৰিব লাগিব।



অগ্ৰগতি নিৰীক্ষণ গ

1। নিয়ামক মতবাদ কেইপ্ৰকাৰৰ? সেইবোৰৰ নাম লিখক।

.....

.....

.....

.....

2। কোনে নিয়ামক মতবাদসমূহৰ বিকাশ কৰিছিল ?

.....

.....

.....

.....

¾ বিভিন্ন নিয়ামক মতবাদৰ প্ৰতিটোতে সমৰ্থিত বিষয়ৰ সাৰাংশ 50টা শব্দৰ ভিতৰত লিখক।

.....

.....

.....

.....

4। ভাৰতৰ ক্ষেত্ৰত কোনটো মাধ্যম মতবাদ আটাইতকৈ ভালদৰে প্ৰযোজ্য হ'ব ?

.....

.....

.....

.....



অনুশীলনী খ

1। নিয়ামক মাধ্যম মতবাদ অনুসৰণৰ দিশত ইখনৰ সৈতে সিখনৰ সাদৃশ্য থকা দুখন দেশ বিচাৰি উলিয়াওক।

.....

.....

.....

2। নেপাল, ভূটান, বাংলাদেশ, পাকিস্তান আৰু চীন - এই দেশ কেইখনত প্ৰচলিত মাধ্যম ব্যৱস্থাৰ প্ৰকাৰ নিৰ্দ্ধাৰণ কৰক।

.....

.....

.....

.....

২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সংযোগৰ কোনো এটা আৰ্হিয়ে সমগ্ৰ সংযোগ প্ৰক্ৰিয়াটোৰ সচিত্ৰ উপস্থাপন কৰি ইয়াক বুজাত সহায় কৰে।
- সৰলৰ পৰা জটিল ধৰণৰ কেবাটাও সংযোগৰ আৰ্হি আছে আৰু সেইবোৰে সংযোগ আৰু গণ-সংযোগৰ বিভিন্ন মনোগ্ৰাহী দিশত ৰেখাপাত কৰে।
- বিভিন্ন পৰিস্থিতিত মানুহৰ আচৰণ আৰু কাৰ্যাদিৰ ব্যাপক বৈজ্ঞানিক নিৰীক্ষণৰ পাছত এই আৰ্হিসমূহ উদ্ভাৱন কৰা হৈছে।
- শ্ৰেনন আৰু উইভাৰ আৰু গাৰ্বনাৰৰ আৰ্হিকেইটা সাৰ্বজনীনভাৱে প্ৰযোজ্য হিচাপে বিবেচনা কৰা হয় কাৰণ সেইবোৰে যিকোনো প্ৰকাৰৰ সংযোগ প্ৰক্ৰিয়াৰ ব্যাখ্যা আগবঢ়ায়।
- ওৱেষ্টলি আৰু মেকলিয়েনৰ আৰ্হি সংবাদ মাধ্যমৰ ক্ষেত্ৰত অধিক উপযোগী।
- কৰ্তৃত্ববাদী মতবাদে মাধ্যমক ৰাষ্ট্ৰৰ বশৱৰ্তী বুলি আৰু ইয়াৰ কোনো স্বতন্ত্ৰ অস্তিত্ব নথকাটো সমৰ্থন কৰে।
- ইচ্ছাস্বাতন্ত্ৰ্যবাদী (Libertarian Theory) মতবাদত কোৱা হৈছে যে সমাজৰ অৱস্থাৰ উন্নত কৰাৰ বাবে জনসাধাৰণৰ মাজত বিতৰ্ক আৰু আলোচনাৰ এটা সুস্থ বাতাবৰণ গঢ়ি তোলাত উদ্‌গনি দিয়াৰ কাৰণে গণ মাধ্যমসমূহ সম্পূৰ্ণ মুক্ত হোৱা উচিত।
- সামাজিক দায়বদ্ধতাৰ মতবাদে বিশেষভাৱে ভাৰতৰ দৰে উন্নয়নশীল দেশসমূহত সমাজৰ প্ৰতি থকা দায়িত্ব পালনৰ কাম আনৰ ওপৰত এৰি নিদি এনে সামাজিক দায়িত্ব সম্পাদনৰ ক্ষেত্ৰত গণ মাধ্যমৰ যথেষ্ট কৰ্তব্য থকা বুলি বিশ্বাস কৰে।
- চোভিয়েট সাম্যবাদী মাধ্যম মতবাদত মাধ্যমে শ্ৰমিক শ্ৰেণীৰ হকে কাম কৰাত বিশ্বাস কৰা হয়।
- বিকাশ মাধ্যম মতবাদত জনসাধাৰণৰ জীৱন সমৃদ্ধ কৰাৰ বাবে আৰু ইয়াক অৰ্থপূৰ্ণ দিশত ধাৰিত কৰাৰ কাৰণে উন্নয়নমূলক কাম-কাজৰ প্ৰতি অলস মনোভাৱ গ্ৰহণ কৰা সৰ্বসাধাৰণ লোকক মাধ্যমে তথ্যৰ যোগান ধৰা উচিত বুলি কোৱা হৈছে।
- আনহাতে গণতান্ত্ৰিক সহভাগী মতবাদে গণমাধ্যমৰ বিষয়বস্তুৰ প্ৰচাৰ আৰু প্ৰকাশ বা কাৰ্য্যসূচীসমূহৰ বিষয়বস্তু প্ৰস্তুত কৰাৰ সমগ্ৰ প্ৰক্ৰিয়াটোত সৰ্বসাধাৰণ লোকৰ অংশ গ্ৰহণৰ বাবে অনুকূল পৰিৱেশ সৃষ্টি কৰাৰ সমৰ্থন কৰে।



২.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ

- Handbook of Mass Communication - V.B Agarwal & V.S. Gupta (Concept Publication)

- Mass Communication in India - K.J. Kumar (Jaico Books)
- Understanding Human Communication - Ronald B. Adler + George Rodman (Harcourt Brace College Publishers)
- Mass Communication in India - J.V. Vilinilam (Sage)
- Mass Communication, Theory and Practice - Uma Narula (Harchand Publication)
- Theories of Communication-Defleur, ML & Ball Rokeach S, (Longman)
- Communication Media, yesterday, today and tomorrow - P. N. Malhan (Publications Division GOI)
- Mass Communication Theory on Introduction - Denis McQuail (sage)
- Communication, Models for the Study of Mass Communication - Dennis McQual (Longman)
- Understanding Media - Marshall McLuhan (Routledge & Paul Kegan, London)
- Understanding the Media - Eoin Deveveux (sage)
- Mass Communication, an Introduction - John Bitter (Prentice Hall)

২.৮ অগ্রগতিৰ খতিয়ান

অগ্রগতি নিৰীক্ষণ ক

1। আৰ্হি হ'ল কোনো এটা ধাৰণা বা কাৰ্যৰ বিষয়ে আমি বুজাত সহায় কৰাৰ কাৰণে প্ৰস্তুত কৰা সচিত্ৰ বিৱৰণী।

2। সংযোগ হ'ল এটা জটিল প্ৰক্ৰিয়া আৰু সংযোগ কাৰ্যত সততে হৈ থকা পৰিবৰ্তনে ইয়াক অধিক জটিল কৰি তুলিছে। সংযোগৰ জটিলতা আৰু ইয়াত হোৱা অহৰহ পৰিৱৰ্তনে সংযোগ প্ৰক্ৰিয়াৰ গাঁথনি আৰু ইয়াৰ কাৰ্যপ্ৰণালীৰ বিষয়ে সৰল ৰূপত আৰু সাধাৰণভাৱে বোধগম্য হোৱা ধৰণে ইয়াক উপস্থাপন কৰাটো প্ৰয়োজনীয় কৰি তুলিছে। সচৰাচৰ এইটো কোৱা হয় যে এখন ছবিৰ মূল্য এহেজাৰ শব্দৰ সমান হয়। ইয়াৰ অৰ্থ হ'ল এয়ে যে, একোখন ছবিয়ে একোটা ঘটনাক এটা ৰূপত প্ৰকাশ কৰে যে ঘটনাটোৰ বিৱৰণ দিয়াৰ বাবে শব্দৰ প্ৰয়োজন তেনেই কম হৈ পৰে। সেইদৰে কোনো এটা সচিত্ৰ আৰ্হিয়ে লিখিত ভাষাত দিয়া বৰ্ণনাতকৈ কোনো এটা বিষয়ে অধিক স্পষ্টভাৱে বুজাত সহায় কৰে।

অগ্রগতি নিৰীক্ষণ খ

1। এচ. এম. চি. আৰ. আর্হিত কোৱা মতে সংযোগ হ'ল এনে এটা পদ্ধতি, যিটোত প্রেৰক (S) আৰু গ্রাহক (R)ৰ মাজত কোনো এটা চেনেল (C)ৰ যোগে তথ্য (message)ৰ আদান-প্রদান হয়।

ওৱেষ্টলি আৰু মেকলিনৰ আর্হিত কোৱা হৈছে যে মাধ্যমে যথার্থ ৰূপত প্রকাশ বা প্রচাৰ কৰাৰ পূর্বে গণ মাধ্যমৰ বিষয়বস্তুসমূহ এলানি পৰীক্ষাৰ মাজেৰে পাৰ হ'বলগীয়া হয়। সেইবাবে এই মতবাদক গেটকিপিং বা দ্বাৰৰক্ষক আর্হি বুলিও জনা যায়। কাৰণ মাধ্যমৰ বিভিন্ন পর্যায়ত কৰা পৰীক্ষা-নিৰীক্ষাসমূহে দ্বাৰপালকৰূপে কাম কৰি মাধ্যম প্রতিষ্ঠানৰ হাতত পৰা যিকোনো বা-বাতৰি বা বিষয়কে প্রকাশ বা প্রচাৰ কৰিবলৈ অনুমতি নিদিয়ে।

2। সংযোগ পদ্ধতিটো হ'ল কোনো এটা চেনেল (বিনিময় কৰাৰ মঞ্চ)ৰ জৰিয়তে প্রেৰক আৰু গ্রাহকৰ মাজত বার্তা নাইবা তথ্যৰ আদান-প্রদান। ইয়াত জড়িত কোনো এটা বা উভয় পক্ষই যেতিয়ালৈ প্রক্রিয়াটো বন্ধ কৰিবলৈ নিবিচাৰে, তেতিয়ালৈ এই আদান-প্রদানৰ পুনৰাবৃত্তি হৈ থাকে।

3। গেটকিপিং বা দ্বাৰ-ৰক্ষণ আর্হি।

4। শ্বেনন আৰু উইভাৰৰ আর্হি।

5। এচ এম আৰ আর্হি।

6। চেনেল।

অগ্রগতি নিৰীক্ষণ গ

1। নিয়ামক মতবাদ ছয় প্রকাৰৰ। সেইবোৰ হ'লঃ-

(ক) কর্তৃত্ববাদী মতবাদ

(খ) ইচ্ছাস্বাতন্ত্রবাদী মতবাদ (Libertarian Theory)

(গ) সামাজিক দায়বদ্ধতা মতবাদ (Social Responsibility Theory)

(ঘ) চোভিয়েট সাম্যবাদী মতবাদ (Soviet Communist Theory)

(ঙ) বিকাশ মাধ্যম মতবাদ (Development Media Theory)

(চ) গণতান্ত্রিক সহভাগী মাধ্যম মতবাদ (Democratic Participant Media Theory)

2। চিবার্ট আৰু তেওঁৰ সহকর্মীসকলে মূল চাৰিটা নিয়ামক মতবাদ প্রস্তুত কৰে। পাছলৈ, ডেনিচ মেক্‌কুৱেইলে ইয়াত আৰু দুটা নিয়ামক মতবাদ যোগ দিয়াত ছটা হয়গৈ।

3। কর্তৃত্ববাদী মতবাদঃ এই নিয়ামক মতবাদটোৱে গণ মাধ্যমক ৰাষ্ট্রৰ বশৱর্তী আৰু ইয়াৰ নিজৰ কোনো স্বতন্ত্র অস্তিত্ব নথকাৰ পোষকতা কৰে। এই মতবাদ অনুসৰি মাধ্যম হ'ল ৰাষ্ট্রৰ এটা আহিলা আৰু ৰাষ্ট্রৰ প্রচাৰ কার্যত ইয়াক প্রয়োগ কৰা উচিত।

ইচ্ছাস্বতন্ত্রবাদী মতবাদ ঃ এই মতবাদ অনুসৰি সমাজৰ বাবে উন্নত ব্যৱস্থা উদ্ভাৱনৰ উদ্দেশ্যে

জনসাধাৰণৰ মাজত বিভিন্ন বিষয়ৰ ওপৰত বিতর্ক আৰু আলোচনা বিলোচনাৰ বাতাবৰণ সৃষ্টি কৰিবলৈ মাধ্যম স্বৰূপে ইয়াৰ কাম-কাজ সম্পাদনৰ ক্ষেত্রত সম্পূণৰূপে মুক্ত হোৱা উচিত।

সামাজিক দায়বদ্ধতা মতবাদ ঃ এই মতবাদত বিশ্বাস কৰা মতে বিশেষভাৱে আমাৰ দৰে উন্নয়নশীল দেশসমূহত সামাজিক দায়িত্বসমূহ পালন কৰাৰ দায়িত্ব আনৰ ওপৰত এৰি নিদি গণ মাধ্যমে এই দায়িত্ব সম্পাদনৰ ক্ষেত্রত বহুখিনি কাম কৰিবলগীয়া হয় বা কৰা উচিত।

চোভিয়েট সাম্যবাদী মতবাদ ঃ এই মতবাদত কোৱা মতে মাধ্যমৰ মালিকানা কোনো ব্যক্তিৰ হাতত থাকিব নালাগে আৰু ই শ্রমিক শ্রেণীৰ সেৱা কৰা উচিত। চোভিয়েট কম্যুনিষ্ট মতবাদ অনুসৰি গণ মাধ্যম হ'ল ৰাষ্ট্রৰ এটি যন্ত্র। মাধ্যমৰ নিজস্ব কোনো অস্তিত্ব নাই।

বিকাশ মাধ্যম মতবাদ ঃ এই মতবাদত কোৱা হৈছে যে জনসাধাৰণৰ জীৱন সমৃদ্ধ কৰাৰ কাৰণে আৰু ইয়াক অর্থপূর্ণ দিশত ধাৱিত কৰিবলৈ সাধাৰণতে অলস সর্বসাধাৰণ লোক গণ মাধ্যমে বিভিন্ন উন্নয়নমূলক কামৰ বিষয়ে অৱগত কৰা উচিত।

গণতান্ত্রিক সহভাগী মতবাদ ঃ এই মতবাদত গণ মাধ্যমৰ বিষয়বস্তু নাইবা কার্যসূচীৰ প্রস্তুতকৰণ, প্রচাৰ আৰু প্রকাশৰ সমগ্র প্রক্রিয়াটোত জনসাধাৰণৰ সম্ভৱপৰ সর্বাধিক অংশ গ্রহণৰ সুবিধা প্রদান কৰাৰ পোষকতা কৰা হয়। এইটোৱে বিভিন্ন অঞ্চল আৰু দেশৰ জনসাধাৰণৰ বিশেষ সমস্যাসমূহ মাধ্যমত প্রতিফলিত কৰাটো সুবিধাজনক কৰি তোলাৰ আশা কৰিব পাৰি।

(ক) শুদ্ধ (খ) অশুদ্ধ

২.৯ সম্ভাব্য প্রশ্ন

1। সংযোগৰ আর্হিৰ তাৎপর্য কি?

2। সংযোগৰ আর্হিয়ে গণ-সংযোগ আৰু মাধ্যমৰ বিষয়ে আমাৰ জ্ঞান বৃদ্ধি কৰাত কেনেকৈ সহায় কৰে?

3। গণ-সংযোগৰ মতবাদসমূহৰ বিষয়ে অধ্যয়ন কৰাটো কিয় প্রয়োজনীয়?

4। গণ মাধ্যমে জনসাধাৰণক আৰু বিপৰীতক্রমে জনসাধাৰণে গণ মাধ্যমক কিদৰে প্রভাৱান্বিত কৰে?

5। গণ সংযোগৰ কর্তৃত্ববাদী মতবাদৰ বর্ণনা কৰক।

6। গণ সংযোগৰ ইচ্ছাস্বাতন্ত্রবাদী মতবাদ বুলিলে আপুনি কি বুজে?

7। গণ সংযোগৰ কর্তৃত্ববাদী মতবাদ আৰু ইচ্ছাস্বাতন্ত্রবাদী মতবাদৰ তুলনা কৰক।

:::